অসম চৰকাৰ
চক্ৰ বিষয়াৰ কাৰ্য্যালয়::শিৱসাগৰ ৰাজহ চক্ৰ,
শিৱসাগৰ

নং.এচ,এচ.আৰ.চি./চি.কিউ.আৰ.টি/০১/২০২৩/৯৭ তাৰিখ-০৭/০২/২০২৩

# জাননী

ইয়াৰ দ্বাৰাই শিৱসাগৰ ৰাজহ চক্ৰৰ অন্তৰ্গত স্থায়ীভাৱে বসবাস কৰা স্থানীয় লোকসকলক জনোৱা যায় যে, জিলা দূৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰন, শিৱসাগৰৰ **চিঠি নং-ডি.এম-১৯/১/২০২৩-ডিডিম-এচ.আই.ভি.-৪৮ তাৰিখ ২১/০১/২০২৩** ৰ আদেশমৰ্মে, অসম চৰকাৰে চক্ৰ তৎকালিন সঁহাৰি দল Circle Quick Response Team (CQRT) গঠনৰ বাবে শিৱসাগৰ ৰাজহ চক্ৰক মনোনিত কৰিছে। এই সন্দৰ্ভত ইচ্ছুক ব্যক্তিসকলৰ পৰা আবেদন বিচৰা হ'ল। আবেদনকাৰীয়ে প্ৰয়োজনীয় নথিপত্ৰ আৰু **তিনি কপি পাচপৰ্ট ফটো** লগতে Form-A (সংলগ্ন) ত আবেদন কৰিব লাগিব।
**চক্ৰ তৎকালিন সঁহাৰি দল Circle Quick Response Team (CQRT)ৰ বাবে সৰ্বাধিক ৮ জন সদস্য নিৰ্বাচিত কৰা হব।**

<u>যোগ্যতা/নিয়মাৱলী</u>

১) আবেদনকাৰী ভাৰতীয় নাগৰিক হব লাগিব আৰু শিৱসাগৰ ৰাজহ চক্ৰৰ অন্তৰ্গত এলেকাত স্থায়ীভাৱে বসবাস কৰা লোক হব লাগিব ।
২) আবেদনকাৰী নূন্যতম বয়স ১৮ বছৰ আৰু উৰ্দ্ধতম বয়স ৫৫ বছৰৰ তলৰ হব লাগিব ।
৩) আবেদনকাৰীৰ শিক্ষাগত অৰ্হতা অতি কমেও ৪ৰ্থ শ্ৰেণী উত্তীৰ্ণ হব লাগিব ।
৪) আবেদনকাৰী শাৰিৰীক/ বিশেষভাৱে সক্ষম লোক হব নালাগিব ।
৫) আবেদনকাৰী সাঁতোৰত পাকৈত হব লাগিব। সাঁতোৰ নজনা লোকৰ আবেদন নাকচ কৰা হব।
৬) পুৰুষ/মহিলা/তৃতীয় লিঙ্গই আবেদন কৰিব পাৰিব।
৭) খেল-ধেমালী/এন.চি.চি./এন.এচ.এচ. আদিৰ প্ৰমান পত্ৰ থকা আবেদনকাৰীক অগ্ৰাধিকাৰ দিয়া হব।
৮) আপদা মিত্ৰ /প্ৰতিৰোধী বন্ধু স্বেচ্ছাসেৱকে অগ্ৰাধিকাৰ পাব।
৯) আবেদনকাৰী প্ৰাকৃতিক দূৰ্যোগ ব্যৱস্থাপনা সন্দৰ্ভত আগ্ৰহ থকা হব লাগিব আৰু তেওঁ জনহিতকৰ কাম কৰিবলৈ প্ৰস্তুত তথা ইচ্ছুক হব লাগিব ।
১০) কৰ্মৰ ওপৰত ভিত্তি কৰি ভাট্টা(incentive) প্ৰদান কৰা হব । এই আঁচনিখন কোনো স্থায়ী চাকৰি প্ৰদান নকৰে, বাচনিভুক্ত সদস্য সকলে কোনো মাহিলী পাৰিতোষিকৰ বাবে যোগ্য নহব।
১১) আবেদনপত্ৰ ইংৰাজী **<u>১৪/০২/২০২৩</u>** তাৰিখৰ দিনৰ ২.০০ **বজাৰ** ভিতৰত শিৱসাগৰ ৰাজহ চক্ৰৰ কাৰ্যালয়ত জমা দিব লাগিব। উক্ত তাৰিখৰ পাছত কোনো আবেদন গ্ৰহন কৰা নহব।
১২) নিৰ্বাচিত আবেদনকাৰীৰ তালিকা **<u>১৫-০২-২০২৩</u>** তাৰিখে চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ জাননী ফলকত প্ৰকাশ কৰা হব।
১৩) আবেদনকাৰী লিখিত পৰীক্ষা, শাৰীৰিক পৰীক্ষা আৰু সাতোঁৰ পৰীক্ষাৰ লগতে মৌখিক পৰীক্ষাত অৱতীৰ্ন হব লাগিব। উপৰুক্ত পৰীক্ষাৰ স্হান আৰু সময় <u>১৫-০২-২০২৩</u> তাৰিখে নিৰ্বাচিত আবেদনকাৰীৰ তালিকা জাননী ফলকত প্ৰকাশ কৰা হব।
১৪) নিৰ্বাচিত সদস্য সকলৰ কৰ্তব্য সম্পূৰ্ণ স্বেচ্ছামূলক হব । সদস্য সকলে কোনো কাৰণত স্থায়ীকৰণৰ বাবে দাবী কৰিব নোৱাৰিব ।

<u>কৰ্তব্য আৰু দায়িত্ব</u>

<u>CQRT সদস্যৰ ভূমিকা আৰু দায়িত্ব:</u>

১/ যেতিয়া এলেকাত কোনো দুৰ্যোগ হব, তেতিয়া CQRT সদস্যসকল সতৰ্ক হৈ থাকিব ।
২/ চক্ৰ বিষয়াৰ নিৰ্দেশ মতে CQRT সদস্যসকলক ঘটনাস্থলীত একত্ৰিত কৰা হ'ব।
৩/ CQRT সদস্যসকলে ভাণ্ডাৰত সঁজুলিবোৰ সুৰক্ষিত ৰখা আৰু ৰক্ষণাবেক্ষণ কৰাৰ বাবে দায়বদ্ধ হ'ব । লগতে প্ৰতিস্থাপনৰ প্ৰয়োজন হ'লে চক্ৰ বিষয়াক প্ৰতিবেদন দিব।
৪/ কৰ্ম দক্ষতা উন্নত কৰাৰ বাবে CQRT সদস্য সকলক নিয়মীয়াকৈ ডি.ডি.এম.এ/এ.এছ.ডি.এম.এ/সঁহাৰি দলৰ দ্বাৰা প্ৰশিক্ষণ দিয়া হ'ব।
৫/ CQRT সদস্যসকলে, চক্ৰ বিষয়াৰ দ্বাৰা পৰিচালিত স্থানীয় পৰ্যায়ৰ অনুশীলনত অংশগ্ৰহণ কৰিব।
৬/ অন্য সময়ত, CQRT সদস্য সকলক চক্ৰ বিষয়াই, গাওঁ সভাৰ দৰে পঞ্চায়ত পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰিবলৈ আৰু দুৰ্যোগৰ প্ৰস্তুতিৰ ওপৰত সজাগতা সৃষ্টি কৰিবলৈ লগতে নিয়মীয়া অনুশীলন কৰি বিদ্যালয়সমূহত দুৰ্যোগ সজাগতা শিক্ষাৰ প্ৰচাৰ কৰিবলৈ একত্ৰিত কৰিব।

(স্বাক্ষৰ)
চক্ৰ বিষয়া
শিৱসাগৰ ৰাজহ চক্ৰ
শিৱসাগৰ ।

স্মাৰক নং.এচ,এচ.আৰ.চি./চি.কিউ.আৰ.টি/০১/২০২৩/ তাৰিখ-০৭/০২/২০২৩

ইয়াৰ প্ৰতিলিপি প্ৰেৰণ কৰা হ'ল –

১) উপায়ুক্ত, শিৱসাগৰ মহোদয়ৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।
২) অতিৰিক্ত উপায়ুক্ত (চি.ই.অ, ডি.ডি.এম.এ.), শিৱসাগৰ, মহোদয়াৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।
৩) তথ্য ও জনসংযোগ বিষয়া, শিৱসাগৰক ইয়াৰ দ্বাৰা অসমৰ জনপ্ৰিয় বাতৰি কাকতসমূহত আৰু সমাজিক মাধ্যমত বহুল প্ৰচাৰৰ বাবে জনোৱা হ'ল ।

(স্বাক্ষৰ)
চক্ৰ বিষয়া
শিৱসাগৰ ৰাজহ চক্ৰ
শিৱসাগৰ ।